বিজেপিৰ লগত কংগ্ৰেছেই যুঁজ দিছে। অসমত ... নিৰ্বাচনত ... নোৱাৰে কিয়? ... বৰ্ষৰ 'জীৱন শিল্পী ৯ পিঠিলৈ

২৪/০২/২০২৪ দৈনিক জনমভূমি

**যোৰহাট মহাবিদ্যালয়ৰ কহিনুৰ জয়ন্তীৰ সামৰণী অনুষ্ঠানত সাংসদ তাছা**

# অসমৰ চাহৰ গৌৰৱ সুৰক্ষিত ৰাখিবলৈ আই এ এছ বিষয়াৰ নিয়ন্ত্ৰণ পৰিহাৰ কৰিব লাগিব




যোৰহাট ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৩ ফেব্ৰুৱাৰী ঃ অসমৰ চাহ উদ্যোগ কেৱল চাহ শ্ৰমিক কিম্বা চাহ জনগোষ্ঠীৰ পৰিয়ালসমূহৰ সৈতেই জড়িত হৈ থকা নাই। অসমৰ কৃষি ভিত্তিক অৰ্থনীতি, গ্ৰাম্য অৰ্থনীতিৰ লগতে অসমৰ জাতি গঠন প্ৰক্ৰিয়া আৰু ভাষা, সাহিত্য, সংস্কৃতিৰ পৰিসৰ বৃদ্ধি কৰা তথা প্ৰসাৰতাৰ ক্ষেত্ৰতো চাহ উদ্যোগৰ অপৰিসীম ভূমিকা আছে। আজি এই সময়ত অসমৰ চাহ উদ্যোগৰ দুশ বছৰ সম্পূৰ্ণ হোৱাৰ ক্ষণত আমি যেনেদৰে গৌৰৱ অনুভৱ কৰিছোঁ, তেনেদৰে চাহ উদ্যোগটোৱে সন্মুখীন হোৱা সংকট দূৰ কৰাৰ ক্ষেত্ৰত চাহ খেতিয়ক, চাহ উদ্যোগী, বাগিচাৰ মালিকপক্ষ আদিয়েও আত্মসমালোচনাৰে নতুন চিন্তাৰে ৯ পিঠিলৈ

আৰু হিৰণ্য ৰঞ্জনে। আজিৰ এই অনুষ্ঠান...

সম্পাদক বিশ্বজিত দাস প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

২৪/০৫/২০২৪ দৈনিক জনমভূমি

# অসমৰ চাহৰ গৌৰৱ...

আগবঢ়াৰ সংকল্প ল'ব লাগিব। আজিৰপৰা আৰম্ভ হোৱা যোৰহাট মহাবিদ্যালয়ৰ কহিনুৰ জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ উদ্বোধনী কাৰ্যসূচীৰ অন্যতম 'চাহ উদ্যোগৰ দুশ বছৰ ঃ ঐতিহ্য আৰু সম্ভাৱনা' শীৰ্ষক মহাবিদ্যালয়ৰ ইতিহাস আৰু শিক্ষাতত্ত্ব বিভাগৰ যৌথ উদ্যোগত আয়োজন কৰা শিক্ষাসদী দীপালী নেওগ সোঁৱৰণী আলোচনা চক্ৰত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই এনেদৰে কয়। বিশ্লেষণধৰ্মী ভাষণত সাংসদ তাছাই অসমৰ চাহৰ গুণমান উন্নত কৰাত বৃহৎ চাহ বাগিচাৰ মালিকপক্ষৰ লগতে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰো কেনে কৰণীয় আছে, সেই কথাও উল্লেখ কৰে। চাহ বাগিচাসমূহৰ জৰিয়তে অসমৰ গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ কেনেদৰে গঢ় লৈ উঠিছে, সেই প্ৰসংগ উল্লেখ কৰি যিসকল শ্ৰমিক ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ সৈতে জড়িত হৈ আছে, সেই চাহ শ্ৰমিকসকলক প্ৰধানমন্ত্ৰীৰ জীৱনজ্যোতি বীমা আঁচনিৰ অধীনলৈ আনিবলৈও ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ প্ৰতি সাংসদ তাছাই আহ্বান জনায়। ইফালে বৰ্তমানৰ অসম চৰকাৰে ৰাজ্যৰ বিভিন্ন জিলাৰ বাগিচা অঞ্চলত ১১৬খন বিদ্যালয় স্থাপন কৰি শিক্ষা প্ৰসাৰৰ লগতেঅসমীয়া ভাষাৰ উৎকৰ্ষ সাধনত কেনে ভূমিকা গ্ৰহণ কৰিছে, সেই প্ৰসংগও উল্লেখেৰে ভাষা-সাহিত্য সাহিত্য ৰক্ষাৰ ক্ষেত্ৰতো চৰকাৰে লোৱা পদক্ষেপক সাংসদগৰাকীয়ে প্ৰশংসা কৰে। এই প্ৰসংগতে সাংসদ তাছাই চাহ শ্ৰমিকৰ জীৱনধৰণৰ মান উন্নত কৰাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে স্বাস্থ্য তথা চিকিৎসা সেৱা উন্নত কৰা, জলজীৱন মিছনৰ জৰিয়তে বিশুদ্ধ খোৱাপানীৰ যোগান, বিদ্যুৎ যোগান আদিৰ ক্ষেত্ৰতো গ্ৰহণ কৰা ব্যৱস্থাৱলী উল্লেখ কৰি বিগত সময়ত মালিক পক্ষই এনেবোৰ বিষয়ত গ্ৰহণ নকৰা স্থিতিৰ বিপৰীতে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপে কেনেদৰে চাহ শ্ৰমিকক সহায় কৰিছে, সেই বিষয়ে উল্লেখ কৰে। সুদীৰ্ঘ ভাষণত সাংসদ তাছাই অসমৰ চাহৰ গৌৰৱ আৰু ঐতিহ্য সুৰক্ষিত কৰিবলৈ হ'লে আই এ এছ বিষয়াৰ দ্বাৰা এই উদ্যোগটো নিয়ন্ত্ৰণ কৰাৰ চিন্তা তথা দৃষ্টিভংগী পৰিহাৰ কৰিব লাগিব বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আলোচনা চক্ৰ উদ্বোধন কৰি বিশিষ্ট চাহ খেতিয়ক তথা টী ব'ৰ্ডৰ প্ৰাক্তন সঞ্চালক প্ৰভাত কমল বেজবৰুৱাই অসমৰ চাহৰ সুনাম কেনেদৰে বিনষ্ট হৈছে আৰু বহুজাতিক কোম্পানীৰ আগ্ৰাসনৰ ফলত অসমৰ থলুৱা লোকৰ হাতত থকা বৃহৎ সংখ্যক বাগিচা কেনেদৰে হেৰাই গৈছে, সেই কথা বিশ্লেষণ কৰি আগন্তুক এশ বছৰৰ কথা চিন্তা কৰি নতুন দৃষ্টিভংগীৰে দুশ বছৰ অতিক্ৰম কৰা চাহ উদ্যোগক আগবঢ়াই নিয়াৰ পোষকতা কৰে। প্ৰসংগক্ৰমে তেওঁ অসমৰ চাহৰ বিকাশৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ অধীনৰ টী ব'ৰ্ডৰ প্ৰাসংগিকতা তথা ভূমিকাৰ বিষয়তো প্ৰশ্ন উত্থাপন কৰে। আলোচনা চক্ৰৰ আধাৰ বক্তব্য আগবঢ়ায় মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° দেৱব্ৰত শৰ্মাই অসমৰ চাহৰ ক্ৰমবিকাশৰ লগতে দেশৰ স্বাধীনতা সংগ্ৰামৰ পৰা আৰম্ভ কৰি অসমীয়া ভাষা-সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত চাহ শ্ৰমিকসকলে কেনেদৰে সবল ভূমিকা গ্ৰহণ কৰি আহিছে, সেই বিষয়ে উল্লেখ কৰে। ভাষণত প্ৰসংগক্ৰমে অধ্যক্ষ ড° শৰ্মাই বেজবৰুৱা পৰিয়ালে উচ্চশিক্ষা বিস্তাৰৰ বাবে গ্ৰহণ কৰা ভূমিকাক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰি যোৰহাট মহাবিদ্যালয়ৰ দ্বিতীয়টো চৌহদৰ বাবে প্ৰভাত কমল বেজবৰুৱাৰ পৰিয়ালে ইতিমধ্যে চিনামৰাত ভূমিদান দিয়াৰ কথাও গৌৰৱেৰে উল্লেখ কৰে। আলোচনা চক্ৰত সমল ব্যক্তিৰূপে মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ড° ননীগোপাল গোস্বামীয়ে অংশগ্ৰহণ কৰাৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ন্যায়িক অধ্যয়ন কেন্দ্ৰৰ সহঃ অধ্যাপিকা ড° পুষ্পা চাম্পিয়া আৰু জে বি কলেজৰ অধ্যাপক ড° পংকজ গোস্বামীয়ে আলোচনা-পত্ৰ পাঠ কৰে। আদৰণী ভাষণ আগবঢ়ায় ড° সৌমিত্ৰ পূজাৰীয়ে। উল্লেখযোগ্য যে গৌৰৱোজ্জ্বল ৬০টা বছৰ অতিক্ৰম কৰা উপলক্ষে 'কহিনুৰ জয়ন্তী' বৰ্ষ উদ্‌যাপন কৰি অহা কহিনুৰ জয়ন্তীৰে সামৰণী অনুষ্ঠান আজিৰপৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শিক্ষাবিদ জেহিৰুদ্দিন আহমদ সোঁৱৰণী ক্ষেত্ৰত অনুষ্ঠিত হৈছে। অনুষ্ঠানৰ আৰম্ভণিতে পুৱা কহিনুৰ জয়ন্তীৰ পতাকা উত্তোলন কৰে পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাই। ৯ বজাত প্ৰতিষ্ঠাপক অধ্যক্ষ বিদ্যাকান্ত বৰুৱা সোঁৱৰণী দৃশ্য-শ্ৰাব্য কক্ষৰ দুৱাৰ মুকলি কৰে যোৰহাট মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাঃ সভাপতি ড° ননীগোপাল গোস্বামীয়ে। অধ্যাপক পুলকজ্যোতি শৰ্মা সোঁৱৰণী দৃশ্য-শ্ৰাব্য কক্ষৰ দুৱাৰ মুকলি কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ বৰ্তমান সভাপতি ড° পৰাণ বৰুৱাই।